# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-MAY-2026
**Time :** 09-00 AM

## *Assamese Morning Bulletin*

১। বিধানসভাত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক গৃহীত। ৰাজ্যৰ ইতিহাসত নতুন অধ্যয়ৰ সূচনা হোৱা বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাৰ মন্তব্য।

২। উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পূৰ্বৰ দৰে নম্বৰ দিয়া ব্যৱস্থাই বাহাল থাকিব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ প্ৰকাশ।

৩। ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানে প্ৰস্তাৱিত গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ সম্ভাব্য প্ৰভাৱৰ মূল্যায়নৰ বাবে অধ্যয়ন চলাব বুলি অতিৰিক্ত মহাধিবক্তাৰ মন্তব্য।

৪। দেশৰ বিভিন্ন অংশৰ লগতে অসমতো উৎসাহ উদ্দীপনাৰে ঈদ-উজ্-জোহা পালন। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত ৰাজস্থান ৰয়েলছৰ জয়লাভ। দলটোৰ ফাইনেলত প্ৰৱেশৰ আশা সজীৱ।

০০০০০০

ৰাজ্যত বহু বিবাহ নিষিদ্ধ, লিভইন সম্পৰ্কৰ পঞ্জীয়ন বাধ্যতামূলক আৰু কন্যা সন্তানকো সম্পত্তিৰ উত্তৰাধিকাৰ প্ৰদানৰ লগতে মহিলাৰ সুৰক্ষা আৰু সম অধিকাৰ নিশ্চিত কৰি কালি বিধানসভাত বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন গৃহীত হয়। বিৰোধীয়ে বিধানসভাৰ বাছনি সমিতিলৈ প্ৰেৰণৰ বাবে জনোৱা দাবীক নসাৎ কৰি শাসকীয় পক্ষৰ উত্তাল শ্ল'গানৰ মাজতে ধ্বনি ভোটত বিধেয়কখন গ্ৰহণ কৰা হয়। ইয়াৰ লগে লগে উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছত অসম উমৈহতীয়া দেৱানী বিধি গ্ৰহণ কৰা দেশৰ তৃতীয়খন ৰাজ্যৰূপে পৰিগণিত হয়। এই বিধেয়কখন বলৱৎ হ'লে বহুবিবাহ সম্পূৰ্ণ ৰূপে নিষিদ্ধ হোৱাৰ লগতে বিবাহ বিচ্ছেদ আৰু লিভইন সম্পৰ্কত থকা সকলৰ পঞ্জীয়ন বাধ্যতামূলক হ'ব। উমৈহতীয়া দেৱানী বিধিৰ অধীনত সকলো বিবাহ আৰু লিভইন সম্পৰ্ক ক্ৰমে ৬০ আৰু ৩০ দিনৰ ভিতৰত পঞ্জীয়ন কৰিব লাগিব। বিবাহ আৰু বিবাহ বিচ্ছেদ নিৰ্দিষ্ট সময়ৰ ভিতৰত পঞ্জীয়ন নহ'লে শাস্তিমূলক ব্যৱস্থাৰ সন্মুখীন হ'ব। লিভইন সম্পৰ্ক ৩০ দিনৰ ভিতৰত পঞ্জীয়ন নকৰিলে ৩ মাহ পৰ্যন্ত কাৰাদণ্ড আৰু ১০ হাজাৰ টকা পৰ্যন্ত জৰিমণা বা দুয়োটাই শাস্তি হ'ব পাৰে।

বিধেয়কখনক লৈ কালি সদনত হোৱা দীঘলীয়া আলোচনাৰ উত্তৰ দি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, যে উমৈহতীয়া দেৱানী বিধি বিজেপি, আৰ এছ এছৰ মতাদৰ্শ নহয় বৰং ভাৰতীয় সংবিধান আৰু সংবিধান সভাত আলোচনা এই বিধিৰ মূল ভিত্তি আছিল। এই উমৈহতীয়া দেৱানী বিধিয়ে ৰাজ্যত লিংগ সমতা স্থাপন কৰিব বুলি উল্লেখ কৰি তেওঁ কয়, যে এই বিধি ১৮ বছৰ নৌহতেই পিতৃ-মাতৃয়ে বিয়া দিয়া যুৱতী, কম বয়সত ৩-৪টা সন্তানৰ বোজা লোৱা যুৱতী, তিনি তালাকে জীৱনলৈ অন্ধকাৰ নমোৱা মাতৃ, লিভইন সম্পৰ্কত প্ৰৱঞ্চনাৰ সন্মুখীন হোৱাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। তেওঁ কয়, যে বহু দশক ধৰি উমৈহতীয়া দেৱানী বিধি কেৱল ৰাজনৈতিক বিতৰ্কৰ বিয়য হৈ আছিল কিন্তু অসমে সেই চিন্তা ধাৰাক বাস্তৱ ৰূপ দিলে। উমৈহতীয়া দেৱানী বিধি সংবিধানৰ ৪৪ অনুচ্ছেদে দেখুওৱা সমতা আৰু ন্যায়ভিত্তিক নাগৰিক ব্যৱস্থাৰ সপোন বাস্তৱায়িত কৰাৰ ঐতিহাসিক পদক্ষেপ বুলি ডঃ শৰ্মাই অভিহিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই আইন কোনো ধৰ্মৰ বিৰুদ্ধে নহয় বা কোনো সম্প্ৰদায়ৰ অধিকাৰ হননৰ প্ৰয়াসো নহয় বৰং এই আইনে বিবাহ, বিবাহ বিচ্ছেদ, উত্তৰাধিকাৰ, ভৰণ-পোষন আদি চিন্তানীয় বিষয়ত সকলো নাগৰিকে যাতে আইনৰ দৃষ্টিত সমমৰ্যাদা লাভ কৰে সেয়া সুনিশ্চিত কৰিব। তেওঁ কয়, যে ৰাজ্যৰ খিলঞ্জীয়া জনজাতি সমাজসমূহৰ

পৰম্পৰা সামাজিক গাঁঠনি আৰু স্বনিয়ন্ত্ৰিত সাংস্কৃতিক ব্যৱস্থাৰ প্ৰতি সন্মান জনাই সংবিধানৰ ৩৪২ নম্বৰ অনুচ্ছেদ অন্তৰ্ভুক্ত জনজাতিসমূহক এই আইনৰ আওতাৰ বাহিৰত ৰখা হৈছে।

***বাইট- চি এম***

মুখ্যমন্ত্ৰীৰ ভাষণৰ পাছতে অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে মুখ্যমন্ত্ৰীক বিধেয়কখন গৃহীত কৰণৰ প্ৰস্তাৱ সদনত উত্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰে। সেই সময়তে কংগ্ৰেছৰ বিধায়ক নৰুল হুদাই বিধেয়কখন গৃহীত কৰাৰ পৰিৱৰ্তে অধিক আলোচনাৰ বাবে সদনত বাছনি কমিটীলৈ প্ৰেৰণ কৰিবলৈ দাবী উত্থাপন কৰে। বিধায়ক জাকিৰ হুছেইন ছিকদাৰেও হকক সমৰ্থন কৰে। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ এই দাবী অগ্ৰাহ্য কৰি বিয়েকখন গৃহীত কৰাৰ পোষকতা কৰে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে বিধেয়কখন সন্দৰ্ভত দফাই দফাই আলোচনাৰ দাবী জনায়। কংগ্ৰেছসহ সকলো বিৰোধীপক্ষৰ সকলো সদস্যই বাছনি কমিটীলৈ প্ৰেৰণ অথবা দফাই দফাই আলোচনাৰ দাবীৰে শ্লʼগান দি অধ্যক্ষৰ সন্মুখলৈ উঠি যায়। ফলত সদনত উত্তাল পৰিস্থিতিৰ সৃষ্টি হয়। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতেই অধ্যক্ষই মুখ্যমন্ত্ৰীক বিয়েকখন গৃহীত কৰাৰ প্ৰস্তাৱ উত্থাপন কৰাৰ অনুমতি দিয়ে। এই প্ৰস্তাৱ ধ্বনি ভোটত গৃহীত হয়। উমৈহতীয়া দেৱানি বিধি গৃহত হোৱাৰ পাছত মুখ্যমন্ত্ৰী শৰ্মাই উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক ২০২৬ সদনৰ বিবেচনাৰ বাবে উত্থাপন কৰে। তাৰপাছতে বিগত সময়ছোৱাত মৃত্যু বৰণ কৰা ৰাজ্যৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিৰ প্ৰতি সদনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পাছত অধ্যক্ষ দাসে সদস্যসকলক ধন্যবাদ জনাই চমু ভাষণ দিয়ে আৰু সদনৰ কাম-কাজ অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি উমৈহতীয়া দেৱানি বিধি গৃহীত হোৱাৰ পাছত অসমৰ ইতিহাসত নতুন অধ্যায়ৰ সূচনা হোৱা বুলি মন্তব্য কৰে। বিধেয়কখন গৃহীত হোৱাৰ পাছত সামাজিক মাধ্যম যোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীসোণোৱালে কয়, যে বিধেয়কখন বিধানসভাত গৃহীত হোৱাটো সামাজিক ন্যায়, সমতা আৰু সু-শাসনৰ দিশত লোৱা যুগান্তকাৰী পদক্ষেপ। এই বিধেয়খনে অসমৰ খিলঞ্জীয়া জনজাতি লোকৰ সাংবিধানিক, সামাজিক অধিকাৰ আৰু সাংস্কৃতিক স্বকীয়তা অক্ষুন্ন ৰাখি সু-সংগঠিত আৰু সমতাভিত্তিক নাগৰিক ব্যৱস্থাৰ পথ মুকলি কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooo

উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰেডিং ব্যৱস্থা প্ৰৱৰ্তন কৰা নহয় বৰং পূৰ্বৰ দৰে নম্বৰ দিয়া ব্যৱস্থাই বাহাল থাকিব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে হোৱা আলোচনাত এই কথা সদৰী কৰে। পৰিষদে কয় যে, গ্ৰেডিং ব্যৱস্থা প্ৰৱৰ্তন কৰা সন্দৰ্ভত এতিয়ালৈকে কোনো সিদ্ধান্ত গ্ৰহণ কৰা হোৱা নাই, গতিকে নম্বৰ প্ৰদান কৰা ব্যৱস্থাই বাহাল থাকিব।

oooooo

ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানে প্ৰস্তাৱিত গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ সম্ভাব্য প্ৰভাৱৰ মূল্যায়নৰ বাবে অধ্যয়ন চলাব আৰু বিৰূপ প্ৰভাৱ ৰোধ কৰাৰ বাবে পৰামৰ্শ আগবঢ়াব। অতিৰিক্ত মহাভিবক্তা পি এন গোস্বামী কালি গুৱাহাটী উচ্চ ন্যায়ালয়ত কয়, যে ভাৰতীয় বন্যপ্ৰাণী প্ৰতিষ্ঠানে অধ্যয়নৰ বাবে সন্মতি প্ৰকাশ কৰিছে আৰু এই সম্পৰ্কে ৰাজ্যৰ প্ৰধান মুখ্য বন সংৰক্ষক, মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেনক অৱগত কৰোৱা হৈছে। প্ৰতিষ্ঠানে বিশদ প্ৰকল্প প্ৰতিবেদন আৰু প্ৰকল্পৰ সংশ্লিষ্ট ফাইল লাভ কৰিছে আৰু শীঘ্ৰে অধ্যয়নৰ বাবে কাৰিকৰী আৰু বিত্তীয় প্ৰস্তাৱ প্ৰস্তুত কৰা হʼব। তেওঁ কয়, যে অধ্যয়ন প্ৰতিবেদন পুঁজি লাভ কৰাৰ ৩ মাহৰ ভিতৰত সম্পূৰ্ণ ৰা হʼব। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ইয়াৰ বাবে পুঁজিৰ যোগান ধৰিব বুলি উল্লেখ কৰি শ্ৰীগোস্বামীয়ে প্ৰভাৱ অধ্যয়নৰ পূৰ্বে কোনো গছ কটা নহয় আৰু প্ৰকল্প ৰূপায়ণৰ সময়ত বন্যপ্ৰাণী সংৰক্ষণৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা চলোৱা হʼব বুলি আশ্বাস দিয়ে।

oooooo

দেশৰ বিভিন্ন অংশৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। আল্লাহৰ নিৰ্দেশত হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়া কাৰ্যৰ সোঁৱৰণত এই ঈদ-উজ-

জোহা পালন কৰা হয়। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়। ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ সজাই পৰাই তোলা হৈছে। সমাজত ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে আজি পুৱা ঈদৰ নামাজ পঢ়া হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৬৫টা ঈদগাহত ঈদৰ সমূহীয়া নামাজ পঢ়া হয়। জিলাখনৰ ঐতিহ্যবাহী মিৰজুমলা ঈদগাহত প্ৰায় দুহেজাৰ লোকে সমূহীয়া নামাজত অংশগ্ৰহণ কৰে। ধুবুৰীকে ধৰি ৰাজ্যৰ অন্যান্য স্থানসমূহতো আজি ঈদৰ নামাজ অনুষ্ঠিত হৈছে।

বৰাক উপত্যকাৰ তিনিখন জিলা- কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দিত ঈদ-উজ্-জোহা উদযাপন কৰা হৈছে। জিলাকেইখনত ঈদ উপলক্ষে বিৰাজ কৰা পৰিৱেশ সন্দৰ্ভত এয়া আমাৰ কাছাৰৰ সংবাদদাতা আঁখীৰাণী দাস–

**ভইচকাষ্ট (আঁখীৰাণী দাস)**

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঈদ-উজ-জোহা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই উৎসৱ হৈছে ভক্তি, ত্যাগ আৰু নিস্বাৰ্থতাৰ প্ৰতীক। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক মানৱতাৰ সেৱাৰ বাবে অনুপ্ৰাণিত কৰে। সমাজত প্ৰেম আৰু সম্প্ৰীতিৰ প্ৰসাৰৰ হকে সংকল্প শক্তিশালী কৰিবলৈ তেওঁ সকললোলৈ আহ্বান জনায়।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঈদ উপলক্ষে ৰাজ্যবাসী বিশেষকৈ ইচলাম ধৰ্মাৱলম্বী লোকসকলক ওলগ জনাইছে। ৰাজ্যপাল আৰ্চায্যই তেওঁৰ বাৰ্তাত কয় যে, ঈদ-উল-জোহাই ত্যাগ, কৰুণা, দয়া, আস্থা আৰু ভাতৃত্ববোধৰ শ্বাশ্বত প্ৰমূল্যৰাজিক প্ৰতিফলিত কৰে। তেওঁ লগতে সমাজৰ সকলো শ্ৰেণীৰ মাজত একতাৰ এনাজৰী সুদৃঢ় কৰি  শান্তি-সম্প্ৰতি আৰু পাৰস্পৰিক সন্মানৰ মনোভাৱেৰে এই উৎসৱ পালন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

এই পবিত্ৰ উৎসৱে এখন সৰ্বাত্মক আৰু মৰম ভালপোৱাৰে ভৰা সমাজ গঢ়াৰ বাবে সদিচ্চা, সহিষ্ণুতা আৰু সমুহীয়া দায়িত্বৰ আৰ্দশৰাজি বৰ্তাই ৰাখিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে। অসমৰ সম্প্ৰতি সদভাৱনা আৰু ভাতৃত্ববোধৰ চহকী ঐতিহ্য ৰাজ্যখনৰ মহান শক্তি বুলি অভিহিত কৰি শ্ৰীআচাৰ্য্যই এই উৎসৱে ৰাজ্যৰ জনসাধাৰণৰ মাজত একতা আৰু বন্ধুত্বৰ এনাজৰী সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই তেওঁ বাৰ্তাত ঈদৰ এই পৱিত্ৰ উৎসৱে সকলোৰে অন্তৰ আত্মা ত্যাগ, বিশ্বাস আৰু ভাতৃত্ববোধৰ আদৰ্শৰেৰে উজ্বলাই তুলিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ে ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰম ৰূপায়ণৰ সৈতে জড়িত মাচুল গাঁথনি সন্দৰ্ভত উত্থাপিত কিছু বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি নিজৰ স্থিতি স্পষ্ট কৰিছে। বিশ্ববিদ্যালয় চৌহদত কালি  সংবাদমেলত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডং উৎপল শৰ্মাই কয়, যে শেহতীয়াকৈ অসম কলেজ অধ্যক্ষ পৰিষদে মহাবিদ্যালয়সমূহে গুৱাহাটী বিশ্ববিদ্যালয়ক পৰিশোধ কৰিবলগীয়া মাচুল প্ৰায় ৪ গুণ বৃদ্ধি কৰা বুলি কৰা দাবী বাস্তৱসন্মত নহয়। পঞ্জীয়কগৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰূপায়ণৰ অংশহিচাপে ২০২৩ চনৰ মে'ৰ পৰা ৫ বছৰীয়া সংহত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্যৰ সৈতে সংগতি ৰাখি আৰম্ভ কৰা এই পাঠ্যক্ৰমৰ ফলত হোৱা ব্যয়ৰ এটা অংশ আহৰণ কৰাৰ উদ্দেশ্যেৰে মাচুল গাঁথনিৰে এই কাৰ্যসূচী আৰম্ভ কৰা হৈছে। তেওঁ কয়, যে ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ অধীনত চতুৰ্থ বৰ্ষ ৰূপায়ণৰ বাবে বিশেষ মানসম্পন্ন বিধি প্ৰকাশৰ সময়ত নতুনকৈ সংযোজিত চতুৰ্থ বৰ্ষৰ বাবে এককালীন অনুমতি মাচুলৰ ব্যৱস্থা ৰখা হৈছিল। এই ব্যৱস্থা নতুনকৈ সৃষ্টি কৰা নহয় বৰং পূৰ্বৰে পৰা প্ৰচলিত মাচুল গাঁথনি আৰু নীতিগত ধাৰাবাহিকতাৰ অংশ হিচাপেহে ইয়াক অন্তৰ্ভুক্ত কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। ডং শৰ্মাই কয়, যে ২০২৬-২৭ শিক্ষাবৰ্ষৰ বৰ্তমানৰ যাণ্মাষিকৰ পৰা ৫ বছৰীয়া সংহত স্নাতকোত্তৰ পাঠ্যক্ৰমত অধ্যয়নৰত দৰিদ্ৰ সীমাৰেখাৰ তলৰ যোগ্য শিক্ষাৰ্থীসকলক মাচুল ৰেহাইৰ সুবিধা প্ৰদান কৰা হ'ব। তেওঁ

কয়, যে শিক্ষাৰ্থীসকলৰ কল্যাণক অগ্ৰাধিকাৰ দি গুৱাহাটী বিশ্ববিদ্যালয়ে ২০২৫-২৬ শিক্ষাবৰ্ষৰ পৰা ষাণ্মাষিক আৰু পৰৱৰ্তী ষাণ্মাষিক মাচুল ২০০০ টকাকৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০

উত্তৰাখণ্ড আৰু গুজৰাটৰ পাছতে দেশৰ তৃতীয়খন ৰাজ্যৰূপে অসমত কালি সম নাগৰিক সংহিতা বলৱতৰ পথ প্ৰশস্ত হোৱাটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ কাকতেই মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতত বাতৰিটোৰ শীৰ্ষক **গৃহীত হ'ল ইউ চি চি, ৰাজপথলৈ ওলাই আহিল উল্লখিত মহানগৰবাসী**।

দৈনিক অগ্ৰদূত কাকতত বাতৰিটোৰ শিৰোনাম **ধ্বনি ভোটত গৃহীত অভিন্ন দেৱানী বিধি**। দি আছাম ট্ৰিবিউন আৰু দা ছেণ্টিনেল কাকতে বাতৰিটো ক্ৰমে আছাম এছেম্বলি পাছেচ ইউনিফৰ্ম চিভিল কোড বিল আৰু ইউ চি চি বিল গেটছ পাছেচ ইন হাউচ শিৰোনামেৰে প্ৰকাশ কৰিছে। ইপিনে বিৰোধীয়ে বিধেয়কখন গৃহীত হোৱাৰ বিৰোধিতা কৰাৰ এটা খবৰ আমাৰ অসম কাকতে **ইউ চি চি যদি ইমান ভাল, আউটিলৈ জনজাতিয়সকল নাহিল কিয়** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম মন্ত্ৰীসভাৰ সাম্ভাব্য সম্প্ৰসাৰণ সন্দৰ্ভত একোটা বাতৰি আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত আগস্থান দিছে। অসমীয়া খবৰ কাকতত বাতৰিটোৰ শীৰ্ষক— ৰাজ্যপাল বিদেশত, ৩ জুনৰ পাছতহে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ, মুখ্যমন্ত্ৰীৰ ইংগিত। একেটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে বিদেশলৈ ৰাজ্যপাল, ৩ জুনৰ পাছতহে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ, সুশান্ত-বলিন হ'ব পাৰে নতুন মুখ শিৰোনামেৰে প্ৰকাশ কৰিছে।

অহা ৫ বছৰত ৰাজ্য চৰকাৰে দিবলগীয়া ২ লাখ নিযুক্তিৰ লক্ষ্য সন্মুখত ৰাখি অব্যাহত থকা চৰকাৰী তৎপৰতা আৰু দিছপুৰত মুখ্য সচিবৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা টাস্ক ফ'ৰ্চৰ প্ৰথমখন পৰ্যালোচনা বৈঠক সন্দৰ্ভত এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

উত্তৰ গুৱাহাটীত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন লোকৰ থিতাতে মৃত্যু হয়। এখন ট্ৰাক আৰু চাৰিচকীয়া বাহনৰ মাজত হোৱা সংঘৰ্ষৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হৈ বুলি আমাৰ আকাশবাণীৰ সংবাদাতাই জানিবলৈ দিছে। নিহত লোককেইজনক ৰঞ্জিত দে, কৰুণা বেজবৰুৱা আৰু পাৰ্থ প্ৰতিম বৰ্মন বুলি চিনাক্ত কৰা হৈছে। আটাইকেইজন গুৱাহাটীৰ মালিগাঁৱৰ বাসিন্দা।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ  সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল, ত্ৰিপুৰা, নাগালেণ্ড, মিজোৰাম আৰু মণিপুৰৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**